**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-12-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

----------------------

১। ডিচেম্বৰ মাহৰ ভিতৰত ৰাজ্যৰ প্ৰায় ৭ লাখতকৈ অধিক নতুন হিতাধিকাৰীলৈ খাদ্য সুৰক্ষা আইনৰ অধীনত ৰেচন কাৰ্ডৰ সুবিধা।

২। বড়োলেণ্ড আঞ্চলিক পৰিষদৰ কালি ৪ বছৰীয়া বৰ্ষপূৰ্তি উদযাপন।

৩। বাদুংদুপ্পা কলাকেন্দ্ৰৰ আন্দাৰ দ্য শাল ট্ৰী শীৰ্ষক তিনি দিনীয়া নাট মহোৎসৱত আজি দ্বিতীয় দিনা তামিল ভাষাৰ নাট তিনধান চৰ্থীৰাম আৰু বিয়লি কিষাণ ৰাজ শীৰ্ষক নাট প্ৰদৰ্শন।

৪। বিশিষ্ট তবলাবাদক জাকিৰ হুছেইনৰ দেহাৱসান। *আৰু*

৫। শিৱসাগৰ জিলাত অনুষ্ঠিত সদৌ অসম আমন্ত্ৰণমূলক প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাত ডিব্ৰুগড়ৰ মাইজান এফ চিৰ খিতাপ দখল।

০০০০০০

ৰাজ্যৰ দৰিদ্ৰ জনসাধাৰণৰ বাবে গ্ৰহণ কৰা চৰকাৰৰ অৰুণোদয় আঁচনিৰ ব্যৱস্থাৰ পৰিৱৰ্তন হ'ব। কালি সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত নতুন ৰেচন কাৰ্ড বিতৰণৰ প্ৰথম পৰ্যায়ৰ কাৰ্যসূচীৰ উদ্বোধন কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে পূৰ্বে অৰুণোদয় আঁচনিৰ সুবিধা লাভৰ বাবে ৰেচন কাৰ্ডৰ প্ৰয়োজন হোৱা নাছিল। কিন্তু এতিয়াৰে পৰা আঁচনিখনৰ সুবিধা লাভৰ বাবে ৰেচন কাৰ্ডৰ প্ৰয়োজন হ'ব।

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে অসম মন্ত্ৰী সভাৰ সিদ্ধান্ত অনুসৰি এই নতুন ৰেচন কাৰ্ড বিতৰণৰ আনুষ্ঠানিক কাৰ্যসূচীৰ প্ৰথম পৰ্যায় প্ৰায় ৭ লাখতকৈ অধিক নতুন হিতাধিকাৰীয়ে খাদ্য সুৰক্ষা আইনৰ অধীনত ৰেচন কাৰ্ডৰ সুবিধা লাভ কৰিব। আনহাতে ডিচেম্বৰ মাহত ভিতৰতে নতুনকৈ ৰেচন কাৰ্ড লাভ কৰা পৰিয়ালসমূহৰ প্ৰতিগৰাকী সদস্যই ৫ কিলোগ্ৰামকৈ বিনামূলীয়া চাউল লাভ কৰিব বুলি তেওঁ কয়। উল্লেখযোগ্য যে নতুন ৰেচন কাৰ্ড বিতৰণৰ প্ৰথম পৰ্যায়ত কামৰূপ মহানগৰৰ লগতে বজালী, বিশ্বনাথ, চৰাইদেউ, ডিব্ৰুগড়, গোলাঘাট, হাইলাকান্দি, হোজাই, যোৰহাট, লখিমপুৰ, মাজুলী, নলবাৰী, শিৱসাগৰ, শোণিতপুৰ, দক্ষিণ শালমাৰা, শ্ৰীভূমি, তিনিচুকীয়া, পশ্চিম কাৰ্বি আংলং জিলাকো সামৰি লোৱা হৈছে।

০০০০০০

বড়োলেণ্ড আঞ্চলিক পৰিষদৰ কালি ৪ বছৰীয়া বৰ্ষপূৰ্তি অনুষ্ঠান অনুষ্ঠিত হয়। ওদালগুৰি জিলাৰ ভেৰগাঁৱত আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থকা অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে প্ৰমোদ বড়োৰ নেতৃত্বত বি টি আৰ অঞ্চলত একতা, শান্তি আৰু সম্প্ৰীতিৰ পৰিৱেশ ঘূৰি অহা বুলি মন্তব্য কৰে। বি টি আৰ বাসীৰ ভূমি সমস্যাকে ধৰি অঞ্চলটোৰ মূল সমস্যাসমূহ চিনাক্ত কৰি পৰিষদক

সহযোগিতা আগবঢ়োৱাৰ বাবে শ্ৰী দৈমাৰীয়ে ৰাইজক আহ্বান জনায়। সভাত উপস্থিত থাকি বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে এইদৰে কয়--

**(বাইট)**

০০০০০০

গোৱালপাৰা জিলাৰ ৰামপুৰত অৱস্থিত বাদুংদুপ্পা কলাকেন্দ্ৰৰ **আন্দাৰ দ্য শাল ট্ৰী** শীৰ্ষক তিনিদিনীয়া নাট মহোৎসৱত আজি পুৱাৰ ভাগত তামিল ভাষাৰ নাট **তিনধান চৰ্থীৰাম** আৰু দিনৰ আঢ়ৈ বজাত **কিষাণ ৰাজ** নামৰ নাটখন মঞ্চস্থ কৰা হ'ব। বিশিষ্ট চিত্ৰশিল্পী ৰবিৰাম ব্ৰহ্মই কালি পুৱা এই নাট সমাৰোহৰ শুভাৰম্ভ কৰে। কালি পুৱাৰ ভাগত **দদান ৰজা** নামৰ ৰাভা ভাষাৰ নাটখন পৰিৱেশন কৰা হয়। তদুপৰি দিনৰ আঢ়ৈ বজাত বড়ো ভাষাৰ নাট **মংলি** মঞ্চস্থ কৰা হয়। উল্লেখযোগ্য যে বিশিষ্ট নাট্যকৰ্মী প্ৰয়াত শুক্ৰাচাৰ্য্য ৰাভাই আৰম্ভ কৰা বাদুংদুপ্পা কলাকেন্দ্ৰই বিগত ১৪ বছৰ ধৰি ৰামপুৰ গাঁৱৰ সংৰক্ষিত বনাঞ্চলত থকা কেইবাশ শালগছৰ মাজৰ এডোখৰ মাটিক মঞ্চৰ ৰূপ দি দিনৰ পোহৰত নাট মঞ্চস্থ কৰি আহিছে। বনাঞ্চলত মঞ্চ তৈয়াৰ কৰি সম্পূৰ্ণ প্ৰাকৃতিক পৰিৱেশৰ মাজত কোনোধৰণৰ যান্ত্ৰিক শব্দ, বৈদ্যুতিক পোহৰ আদি অবিহনে এই নাট সমাৰোহ অনুষ্ঠিত কৰা হয়। থলুৱা সা-সঁজুলি আৰু থলুৱা বাদ্যযন্ত্ৰক প্ৰাধান্য দি লোক নাট্য সংস্কৃতিক ব্যতিক্ৰমী ধাৰাৰে জীয়াই ৰখাৰ উদ্দেশ্যে বাদুংদুপ্পা কলাকেন্দ্ৰই আয়োজন কৰা এই নাট সমাৰোহত পশ্চিমবংগ আৰু চেন্নাইৰ নাট্য দলেও নাট পৰিৱেশনত অংশ লৈছে।

০০০০০০

দেশত সংবিধান গৃহীত হোৱাৰ ৭৫ বছৰ উপলক্ষে আজি ৰাজ্যসভাত সংবিধান সন্দৰ্ভত দুদিনীয়া বিতৰ্ক অনুষ্ঠিত হ'ব। লোকসভাতো যোৱা শুকুৰ আৰু শনিবাৰে এই একেই বিতৰ্ক অনুষ্ঠিত হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ উচ্চ সদনত এই বিতৰ্কত অংশ লোৱাৰ কথা আছে।

ভাৰতীয় সংবিধানৰ এই বিতৰ্কৰ সময়ত আজি আৰু কাইলৈ ৰাজ্যসভাত উপস্থিত থাকিবলৈ বিজেপিয়ে তেওঁলোকৰ দলৰ সকলো সাংসদৰ প্ৰতি হুইপ জাৰি কৰিছে।

সংবিধান সভাই ১৯৪৯ চনৰ ২৬ নৱেম্বৰত গৃহীত কৰা ভাৰতীয় সংবিধান ১৯৫০ চনৰ ২৬ জানুৱাৰীত কাৰ্যকৰী কৰা হৈছিল। এই সংবিধানে ভাৰতক এখন সাৰ্বভৌম গণতান্ত্ৰিক গণ্যৰাজ্যৰূপে স্বীকৃতি প্ৰদান কৰিছে। উল্লেখযোগ্য যে, ২০১৫ চনত নৰেন্দ্ৰ মোদী চৰকাৰে ১৯৪৯ চনত ভাৰতীয় সংবিধান গৃহীত হোৱাৰ সন্মান স্বৰূপে ২৬ নৱেম্বৰৰ দিনটো সংবিধান দিৱস হিচাপে ঘোষণা কৰিছিল।

০০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ তথা আয়ুষ দপ্তৰৰ ৰাজ্য মন্ত্ৰী প্ৰতাপ ৰাও যাদৱে কালি চাংসাৰিৰ সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান এইমছ পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে এইমছৰ আয়ুষ চিকিৎসালয়ত উপস্থিত হৈ কৰ্মচাৰী, বিষয়ববীয়া তথা চিকিৎসকসকলৰ সৈতে মত-বিনিময় কৰে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহালে এই পৰিদৰ্শন কালত শ্ৰীৰাৱক সংগ দিয়ে। শ্ৰীৰাৱে দৰং জিলাৰো কিছু অঞ্চল পৰিদৰ্শন কৰি অভিলাষী জিলা আৰু উন্নয়ন খণ্ডৰ অধীনত চলি থকা বিভিন্ন উন্নয়নমূলক কাম-কাজৰ খতিয়ান লয়। তেওঁ মোৱামাৰী গাঁৱত আয়ুষ্মান আৰোগ্য মন্দিৰ পৰিদৰ্শন কৰাৰ লগতে গেৰিমাৰীত নিৰ্মীয়মান অসম দক্ষতা বিশ্ববিদ্যালয় প্ৰকল্পৰ অগ্ৰগতিৰ বুজ লয়। দৰং জিলাৰ স্থানীয় লোকসকলৰ সৈতে মত-বিনিময় কৰি মন্ত্ৰীগৰাকীয়ে দৰংবাসীৰ অতিথি পৰায়নতাৰ শলাগ লয়। দৰঙৰ লোকসকল সমাজ গঠন তথা বিকাশৰ হকে কাম কৰিবলৈ ইচ্ছুক বুলি প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে তেওঁলোকক প্ৰশংসা কৰে।

০০০০০০

ব্ৰহ্মপুত্ৰৰ নৈসৰ্গিক পৰিবেশত গুৱাহাটীৰ লাচিত ঘাটত কালি আৰম্ভ হোৱা ব্ৰহ্মপুত্ৰ কাৰ্ণিভেল উৎসৱ পৰ্যটন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে উদ্বোধন কৰে। মন্ত্ৰী শ্ৰীদাসে এই উৎসৱৰ শুভাৰম্ভ কৰি কয়, যে মহাবাহু ব্ৰহ্মপুত্ৰ অবিহনে অসমৰ সভ্যতা, সংস্কৃতি আধৰুৱা বুলি ক'ব পাৰি। ব্ৰহ্মপুত্ৰৰ বালিচাপৰিত আয়োজিত এই শীতকালীন মহোৎসৱৰ জৰিয়তে পৰ্যটকসকলে অসম তথা উত্তৰ-পূবৰ কৃষ্টি-সংস্কৃতিৰ সৈতে চিনাকি হোৱাৰ উপৰি খাদ্য সম্ভাৰৰ সোৱাদ ল'ব পাৰিব। তদুপৰি বিভিন্ন থলুৱা খেল-ধেমালিৰ অভিজ্ঞতাও ল'ব পাৰিব। অহা বছৰৰ ১৫ মাৰ্চত এই উৎসৱৰ সামৰণি পৰিব।

০০০০০০

অসম সাহিত্য সভাৰ প্ৰথমগৰাকী সভাপতি পদ্মনাথ গোহাঞি বৰুৱাৰ ১৫৩ বছৰীয়া জয়ন্তী উপলক্ষে কালি তেজপুৰৰ কেইবাটাও অনুষ্ঠানে সাহিত্যিকগৰাকীক বিশেষভাৱে স্মৰণ কৰে। তেজপুৰৰ ঐতিহ্যমণ্ডিত বান থিয়েটাৰ, তেজপুৰ সাহিত্য সভা, অসমীয়া ভাষা উন্নতি সাধিনী সভা, লেখিকা সমাৰোহ সমিতি আৰু পদ্মনাথ গোহাঞি বৰুৱা শাখা সাহিত্য সভাৰ উদ্যোগত এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত তেজপুৰৰ বিধায়ক পৃথ্বীৰাজ ৰাভাৰ লগতে সাহিত্যিকগৰাকীৰ নাতি সঞ্জয় কৃষ্ণ গোহাঞি বৰুৱা আৰু উদয় কৃষ্ণ গোহাঞি বৰুৱাও উপস্থিত থাকে।

০০০০০০

ধন্যবাদ জিণ্টি ৰাণী ডেকা......

গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰতিখন বাতৰি কাকতে বহুকেইটা গুৰুত্বপূৰ্ণ বাতৰি আজি প্ৰথম পৃষ্ঠাত স্থান দিছে। ইয়াৰ ভিতৰত গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ চৌহদত কালি আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত ৰাজ্যৰ ৪৯টা বিধানসভা সমষ্টিত নতুন ৰেচন কাৰ্ড বিতৰণৰ প্ৰথম পৰ্যায়ৰ শুভাৰম্ভণি কৰে। এই বাতৰিটো আমাৰ অসম কাকতে **৭ লাখ নতুন হিতাধিকাৰীক ৰেচন কাৰ্ড** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে নিয়মীয়া বাৰ্তা, অসমীয়া খবৰ কাকতে ফটোসহকাৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

অসমীয়া প্ৰতিদিন কাকতখনে বৃহৎ সংখ্যক জবকাৰ্ডধাৰী পৰিয়ালৰ বেছিভাগেই এনৰেগাৰ অধীনত পাবলগীয়া নিশ্চিত নিয়োগৰ পৰা বঞ্চিত হ'বলগা হোৱাৰ বাতৰিটো মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ভাৰতীয় ৰিজাৰ্ভ বেংকে প্ৰকাশ কৰা ২০২৩-২৪ বৰ্ষৰ দেশৰ বিভিন্ন ৰাজ্যৰ গড় জনমূৰি আয়ৰ তথ্যমতে অসমে শেষৰ স্থান লাভ কৰাৰ বাতৰিটো দৈনিক অসম কাকতে **জনমূৰি আয়ত অসমৰ স্থান শেষত** শিৰোনামেৰে মুখ্য বাতৰিত স্থান দিছে।

শিৱসাগৰৰ পিয়লি ফুকন ষ্টেডিয়ামত কালি ১০ সহস্ৰাধিক আয়তীয়ে দিহানাম পৰিৱেশন কৰি অসম বুক অৱ ৰেকৰ্ডছত নাম সন্নিবিষ্ট কৰিবলৈ সক্ষম হোৱা বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। একেটা বাতৰিকে দি আছাম ট্ৰিবিউন কাকতে ফটোসহকাৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

নতুন পেঞ্চন আঁচনি প্ৰত্যাহাৰ আৰু পুৰণি পেঞ্চন আঁচনি প্ৰৱৰ্তনৰ দাবীত ৰাজ্যৰ শিক্ষক-কৰ্মচাৰীসকলে পুনৰ ধাৰাবাহিক আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰাৰ বাতৰিটো দৈনিক অগ্ৰদূত কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

বিশিষ্ট তবলাবাদক জাকিৰ হুছেইনৰ কালি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ছান ফ্ৰান্সিস্কো চহৰত এখন চিকিৎসালয়ত দেহাৱসান ঘটাৰ বাতৰিটো গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতে প্ৰথম ফটোসহকাৰে প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ কেইটিমান বাতৰি। এতিয়া আমি পুনৰ উভতি আহিছো জিণ্টি ৰাণী ডেকাৰ ওচৰলৈ।

০০০০০০

**বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্ম মানৱতাৰ সৈনিক বঁটা ২০২৪** নেপালৰ প্ৰথিতযশা সমাজকৰ্মী তথা পদ্মশ্ৰী বঁটাপ্ৰাপক অনুৰাধা কৈৰালালৈ আগবঢ়োৱা হৈছে। উপেন্দ্ৰনাথ ব্ৰহ্ম ন্যাসৰ মুখপাত্ৰ বিষ্ণুপ্ৰসাদ ব্ৰহ্মই কালি এটা বিবৃতি যোগে এই কথা প্ৰকাশ কৰে। উল্লেখযোগ্য যে কৈৰালাই মহিলা আৰু শিশুসকলৰ বিকাশৰ সৈতে দীৰ্ঘদিন ধৰি ব্ৰতী হৈ থকাৰ লগতে সমাজৰ বিভিন্ন দিশত অৱদান আগবঢ়াই আহিছে। নেপালৰ বিশিষ্ট সমাজকৰ্মীগৰাকীক ভাৰত চৰকাৰে ২০১৭ চনত পদ্মশ্ৰী বঁটাৰে সন্মানিত কৰিছিল।

০০০০০০

বিশিষ্ট তবলাবাদক জাকিৰ হুছেইনৰ কালি দেহাৱসান ঘটে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ছানফ্ৰান্সিস্কো চহৰৰ এখন চিকিৎসালয়ত ৰক্তচাপজনিত অসুখত শিল্পীগৰাকী চিকিৎসাধীন হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৩ বছৰ।

ছটা দশক ধৰি সংগীতৰ সৈতে জড়িত হৈ থকা হুছেইনে চলিত বৰ্ষৰ প্ৰথমভাগত গ্ৰেমীত তিনিটা বঁটাসহ মুঠ ৫টা গ্ৰেমী বঁটাৰ সন্মান লাভ কৰিছিল। জীৱনকালত তেওঁ ছাজ, হিট এণ্ড ডাষ্ট, মংকীমেন আদি কেইবাখনো চিনেমাত অভিনয় কৰিছিল। সংগীত ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানৰ বাবে শিল্পীগৰাকীক ১৯৮৮ চনত পদ্মশ্ৰী, ২০০২ চনত পদ্মভূষণ আৰু ২০২৩ চনত পদ্ম বিভূষণ বঁটাৰে সন্মানিত কৰা হৈছিল।

০০০০০০

তিনিচুকীয়া জিলাৰ ফিল'বাৰীৰ শ্ৰীশ্ৰীটিপুক মায়ামৰা দ্বাৰকা সত্ৰৰ সত্ৰাধিকাৰ ৰূপে হৰকান্ত মহন্তই কালি সত্ৰৰ ৰীতি-নীতিৰ মাজেৰে দায়িত্ব গ্ৰহণ কৰে। এই উপলক্ষে সত্ৰত গায়ন-বায়ন, গোসাঁই পতা খেৰি, আয়তী উৰুলীৰ ধ্বনিৰে ধৰ্মীয় ৰীতি-নীতি অনুসৰি আহোম, কছাৰী আৰু খাতোৱাল তিনিবুঢ়াই আগুৱাই নি হৰকান্ত মহন্তক সত্ৰাধিকাৰৰ আসনত বহুৱায়। সত্ৰাধিকাৰগৰাকীয়ে তেওঁৰ নেতৃত্বত অপ-সংস্কৃতি প্ৰতিহত কৰি নতুন চিন্তা-চেতনাৰে আগুৱাই শক্তিশালী সাংস্কৃতিক আৰু ধৰ্মীয় সমাজ প্ৰতিষ্ঠা কৰিবলৈ নতুন প্ৰজন্মকো উৎসাহিত কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।

০০০০০০

যুক্তিবাদী লেখক ড০ শিৱনাথ বৰ্মনৰ সোঁৱৰণত বিজ্ঞানমনস্ক যাত্ৰাৰ উদ্যোগত ৰাজ্যৰ বিভিন্ন ঠাইত কালি বৈজ্ঞানিক চেতনা দিৱস উদযাপন কৰা হয়। সমাজত বিজ্ঞানমনস্কতাৰ প্ৰচাৰ তথা অন্ধবিশ্বাস, কুসংস্কাৰৰ বিৰুদ্ধে সচেতনতা সৃষ্টিৰ বাবে যোৰহাট, বিশ্বনাথ চাৰিআলি আদি জিলাত এই দিৱস পালন কৰা হয়। গুৱাহাটীৰ কৃষি নিবাস প্ৰেক্ষাগৃহত অনুষ্ঠিত কেন্দ্ৰীয় অনুষ্ঠানত যুক্তিবাদ আৰু বিজ্ঞানমনস্কতা নামৰ এখন গ্ৰন্থ উন্মোচন কৰা হয়। এই অনুষ্ঠানত ড০ কুলেন্দু পাঠক, ড০ দীনেশ চন্দ্ৰ গোস্বামী, দিলীপ বৰা, ময়ূৰ বৰা, জুনু বৰাকে ধৰি ভালেমান বিশিষ্ট লোক উপস্থিত আছিল। বিজ্ঞানমনস্ক যাত্ৰাৰ তিনিচুকীয়া শাখা, বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজ, অসম বিজ্ঞান সমিতিৰ তিনিচুকীয়া শাখা আৰু ইলোৰা বিজ্ঞান মঞ্চ তিনিচুকীয়া শাখাৰ উদ্যোগত তিনিচুকীয়া জিলাতো এই দিৱস আয়োজন কৰা হয়।

০০০০০০

সদৌ অসম কবি সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যালয় ভৱনটো কালি মুকলি কৰা হয়। ৰাজ্যৰ কবিসকলক এখন উমৈহতীয়া মঞ্চৰ জৰিয়তে কাব্য চৰ্চাৰ পৰিৱেশ গঢ়ি তোলাৰ উদ্দেশ্যে আৰম্ভ হোৱা  সন্মিলনৰ ৩৭ বছৰৰ পিছত এই স্থায়ী ঠিকনা লাভ কৰিবলৈ সক্ষম হৈছে। কালি অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত ড০ কুটুবুদ্দিন আহমেদৰ সোঁৱৰণত নিৰ্মাণ কৰা ভৱনটো সন্মিলনৰ প্ৰতিষ্ঠাপক প্ৰধান সম্পাদক আনন্দ দত্ত, সভাপতি বংশী বৰা আৰু ভৱনটোৰ দাতা এলিজা বেগমে উদ্বোধন কৰে। কালিৰ অনুষ্ঠানত ভৱনটোৰ লগতে কবি ৰাম গগৈ, ড০ কুটুবুদ্দিন আহমেদ আৰু আনন্দ দত্তৰ আৱক্ষ মূৰ্তি উন্মোচন কৰা হয়।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ডিচেম্বৰত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব  অনুষ্ঠানটোৰ ১১৭ সংখ্যক খণ্ড। জনসাধাৰণে এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু পৰামৰ্শ ১৮০০ ১১ ৭৮০০ টোল ফ্ৰী নম্বৰলৈ প্ৰেৰণ কৰিব পাৰে। নমো এপ' নাইবা মাই গভ মুকলি মঞ্চৰ জৰিয়তেও জনসাধাৰণে নিজৰ পৰামৰ্শ প্ৰেৰণ কৰিব পাৰে। অহা ২৭ ডিচেম্বৰ পৰ্যন্ত মতামত আৰু পৰামৰ্শসমূহ প্ৰেৰণ কৰিব পাৰিব। এই অনুষ্ঠানত আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেবছাইট আৰু newsonair মোবাইল এপত উপলব্ধ হ'ব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগে এই অনুষ্ঠান লাইভ ষ্ট্ৰিমিং কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

বতৰৰ বতৰা- অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যত শীতৰ প্ৰকোপ পৰিলক্ষিত হৈছে। কাইলৈৰ পৰা ৰাজ্যত পুহ মাহ আৰম্ভ হ'ব। সেয়েহে গুৱাহাটীত কালি তাপমাত্ৰা ১২ ডিগ্ৰী ছেলছিয়াছলৈ নিম্নগামী হয়। অহা কেইদিনত এই তাপমান আৰু হ্ৰাস হোৱাৰ সম্ভাৱনা আছে। বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থাকিব। এই সময়ছোৱাত ৰাজ্যৰ ঠাই বিশেষে পুৱা আৰু নিশাৰ ভাগত ডাঠ কুঁৱলী পৰাৰো সম্ভাৱনা আছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৬ ডিগ্ৰী ছেলছিয়াছ। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে। উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যৰ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে ডাঠ কুঁৱলী পৰাৰো সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

শিৱসাগৰ জিলাৰ জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হোৱা সদৌ অসম আমন্ত্ৰণমূলক প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাৰ কালি সামৰণি পৰে। কালি প্ৰতিযোগিতাৰ চূড়ান্ত খেলখনত ডিব্ৰুগড়ৰ মাইজান এফ চিয়ে গহপুৰ ফুটবল একাদশক ২-১ গলৰ ব্যৱধানত পৰাস্ত কৰি বিজয়ীৰ সন্মান লাভ কৰে।

০০০০০০

সমাপ্ত